# গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক মহলাৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া
# ৬.৫৬ নং প্ৰশ্নকাকতৰ বাধ্যতামূলক গৱেষণা পত্ৰ

## বিষয় ঃ নলবাৰী জিলাৰ বগুৰিহাটী গাঁওৰ লোক-সাহিত্যৰ পৰিচয়

Presented
18th 04/06/2024


নীহাৰিকা মৰাণ

তত্ত্বাৱধায়িকা
**ড° নীহাৰিকা মৰাণ**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

গৱেষিকা ছাত্ৰী
নাম ঃ শ্ৰীপ্ৰতীক্ষা হালৈ
শ্ৰেণী ঃ ষষ্ঠ ষান্মাসিক
শ্ৰেণী ৰোল নং- B.A- 210116
ৰোল নং ঃ BA-211-193-0227
পঞ্জীয়ন নং ঃ 21086529


মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী

# কৃতজ্ঞতা স্বীকাৰ

সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয় মই এগৰাকী ষষ্ঠ ষাণ্মাসিকৰ অসমীয়া বিভাগৰ ছাত্ৰী। অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক ষষ্ঠ ষাণ্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা ক্ষুদ্ৰ গৱেষণা পত্ৰৰ আলমত মই এই ষাণ্মাসিকৰ ছাত্ৰী হিচাপে আমাৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° নীহাৰিকা মহন্ত বাইদেউৰ তত্ত্বাৱধানত মই মোৰ গাঁওৰ ওপৰত এটি ক্ষুদ্ৰ গৱেষণা কৰিবলৈ প্ৰচেষ্টা হাতত ললো।

"গৱেষণা পত্ৰ প্ৰস্তুত কৰণ"

উচ্চ শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা শিক্ষানীতি সমূহৰ ভিতৰত এক অন্যতম প্ৰধান হিচাপে পৰিগণিত হৈছে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে গৱেষণা প্ৰস্তুত- কৰণ এক জটিল বিষয়। কিন্তু, এই জটিলতাক নেওচি গৱেষণা পত্ৰ প্ৰস্তুত কৰি উলিওৱাটো

ছাত্ৰ-ছাত্ৰীৰ বাবে সম্প্ৰসাৰণৰ হৈ থাকিছে সমগ্ৰ বিভাগীয় শিক্ষাগুৰু সকলৰ সু দিহা-পৰামৰ্শ, বিভিন্ন জন, অভিজ্ঞ ব্যক্তিৰ সহায় আৰু ছাত্ৰ-ছাত্ৰী অশাওৰীয়া প্ৰচেষ্টা আৰু তাহাঁতৰ আত্মবিশ্বাসৰ কাৰণে।

গৱেষণা বিষয়টো হ'ল প্ৰকাশশীল বিষয়। সেইহেতুকে মোক এই প্ৰকল্পটি লিখাত সহায়-সহযোগিতা তথা অনুপ্ৰেৰণা যোগোৱা আমাৰ বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিহাৰিকা মহন্ত বাইদেউ লগতে বিভাগীয় ছাৰ-বাইদেউ সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ কিতাপ ঘৰ দি সহায় কৰা পুথিভঁৰালৰ সমূহ কৰ্মচাৰীলৈ আন্তৰিক কৃতজ্ঞতাৰ যাচিলো। লগতে এই প্ৰকল্পটি লিখাত বিভিন্ন ধৰণে সহায় কৰা মোৰ গাঁৱৰ বিশিষ্ট ব্যক্তি সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত: মোৰ এই প্ৰকল্পটি প্ৰস্তুত কৰোঁতে থকা যিকোনো সৰু-বৰ ভুলৰ বাবে মই শিক্ষক-শিক্ষয়িত্ৰীৰ হৃদয় মাজত ক্ষমা বিচাৰিছো।

শ্ৰী প্ৰতীক্ষা হালৈ
৬/৫/২০২৪

ধন্যবাদ

# সূচীপত্ৰ

পৃষ্ঠা

কৃতজ্ঞতা জ্ঞাপন (৩-৪)

0.00 অৱতৰণিকা (৫-৬)

১.১ অধ্যয়নৰ বিষয়বস্তু (৭)

১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য (৮)

১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তা (৯-১০)

১.00 প্ৰথম অধ্যায় :

বস্তুবিষয়ী গাঁৱৰ পৰিচয় (১১-১৭)

বস্তুবিষয়ী গাঁৱৰ ভৌগোলিক পৰিচয় (১৭-২৭)

বস্তুবিষয়ী গাঁৱৰ মাটিকালি (২৭-২৮)

বস্তুবিষয়ী চাৰিসীমা । (২৮-২৯)

বস্তুবিষয়ী কৰ্ম আৰু জীৱিকা (~~২৮-২৯~~) (২৯-৩১)

২.00 দ্বিতীয় অধ্যায় :

বস্তুবিষয়ী লোকসাহিত্যৰ পৰিচয় (৩১-৩৪)

২.০১ লোকসাহিত্যৰ সংজ্ঞা আৰু শ্ৰেণীবিভাগ (৩৪-৪০)

২.০২ লোকসাহিত্যৰ বৈশিষ্ট্য (৪১-৪৫)

২.০৩ অসমৰ লোকসাহিত্যসমূহ (৪৫-৪৯)

৩.00 তৃতীয় অধ্যায় :

বস্তুবিষয়ী গাঁৱৰ বিয়ানাম (৫০-৫৪)

৩.০১ জুৰোণ দিওঁতে দিয়া বিয়ানাম (৫৪-৫৮)

৩.০২ পানী তুলিবলৈ যাওঁতে গোৱা বিয়ানাম (~~৫৮-৫৯~~) (৫৮-৫৯)

৩.০৩ কইনা নোৱাওতে গোৱা বিয়ানাম (৫৪-৫৯)

৪.০০ চতুৰ্থ অধ্যায় :

বস্তুবিষয়ী গাঁৱৰ বিহুনাম (৬০-৬৩)

৪.০১ হুঁচৰিৰ বিহুগীত (৬৪-৬৭)

৪.০২ গৰখীয়াই গৰু চৰাওঁতে গোৱা বিহুগীত (৬৮-

৪.০৩ বেকাই আতঙ্ক উদ্দেশ্য কৰি গোৱা বিহুগীত (৭০-৭৩)

৫.০০ পঞ্চম অধ্যায় :

বস্তুবিষয়ী গাঁৱৰ নিচুকনি গীত (৭৩-৭৫)

৬.০০ ষষ্ঠ অধ্যায় :

বস্তুবিষয়ী গাঁৱৰ মহ খেদা গীত (৭৫-৭৭

৭.০০ সপ্তম অধ্যায় :

: উপসংহাৰ (৭৮)

: গ্ৰন্থপঞ্জী (৭৯)

: সংবাদদাতা (৮০)

: ৰঙিণ - আলোকচিত্ৰ (৮১-৮৩)

: নলবাৰী জিলাৰ মেপ (৮৪)

## ০.০০: অৱতৰণিকা

লোকসাহিত্য বা সংস্কৃতি কোনো এটা জাতিৰ জাতীয় জীৱনৰ দাপোন স্বৰূপ। সংস্কৃতি বা লোকসাহিত্যৰ মাজেৰে জাতি এটাৰ স্বৰূপ উপলব্ধি কৰিব পৰা যায়। লোক-সাহিত্যৰ গতি বোঁৱতী নৈৰ গতিৰ দৰে চিৰপ্ৰবহমান। কালৰ সোঁতত এই গতিত নতুনৰ সংযোজন হয় আৰু বহু দিশ বাদ পৰে। প্ৰকৃতাৰ্থত এনে স্বভাৱৰ মাজেৰেহে লোকসাহিত্যৰ বৈশিষ্ট্য বৰ্তি থাকে। কোনো এটা অঞ্চলৰ বা কোনো এখন ঠাইৰ সংস্কৃতি গঢ় লৈ উঠাৰ ক্ষেত্ৰত সেই অঞ্চলটোৰ প্ৰাকৃতিক, ভৌগোলিক, অৰ্থনৈতিক, সামাজিক আদি প্ৰতিটো দিশৰে গুৰুত্বপূৰ্ণ ভূমিকা থাকে। এইবোৰ দিশৰ ওপৰত ভিত্তি কৰি

লোকসাহিত্যই নিজা নিজা স্থান অধি-
গ্ৰহণ কৰে। কালধৰ্মলে পৃথিৱীৰ
বিভিন্ন ঠাইৰ প্ৰাকৃতিক, ভৌগোলিক,
অৰ্থনৈতিক, সামাজিক আদি দিশবোৰ
ভিন্ন হোৱাৰ বাবে প্ৰত্যেক ঠাইৰে
সংস্কৃতিৰ মাজত বৈচিত্ৰ্য লক্ষ্য
কৰা যায়। অসমৰ লোকসাহিত্য
দিশসমূহ পৰ্যবেক্ষণ কৰিলে অসমৰ
এই লোকসাহিত্যৰ মাজতো বৈচিত্ৰ্য
লক্ষ্য কৰা যায়। দক্ষাচলতে ভাৰতৰ
বিভিন্ন অঞ্চলৰ প্ৰাকৃতিক
আৰু ভৌগোলিক দিশৰ অৱস্থা যিদৰে
একে নহয়; ঠিক সেইদৰে বিভিন্ন
ঠাইৰ এই লোকসাহিত্যৰ অভিব্য-
ক্তিসমূহো একে নহয়। এই প্ৰকল্পটিত
অসমৰ লোকসাহিত্যৰ কথা আলো-
চনা কৰা হ'ব।

১.১:- অধ্যয়নৰ বিষয়বস্তু

অধ্যয়নৰ বিষয়বস্তু হৈছে- আমাৰ গাঁওৰ সমনৰ গুৰুত্ব প্ৰতি প্ৰকল্প প্ৰস্তুত কৰা। অৰ্থাৎ গাঁওৰ নৈচি পৰিচয়, ভৌগোলিক, অৰ্থনৈতিক, ৰাজনৈতিক, লোকসাহিত্য, সংস্কৃতিৰ ওপৰত আলোচনা কৰা। অধ্যয়নৰ বিষয়বস্তু আমাৰ গাঁও সমনৰ প্ৰত্যেকজন অঞ্চলৰ কৰ্ম আৰু জীৱিকা ওপৰতো গুৰুত্ব প্ৰদান কৰিব লাগিব। আন-হাতে এই প্ৰকল্পটো অধ্যয়নৰ বিষয়বস্তু অসমৰ লোকসাহিত্যৰ কথাও আলোচনা কৰা হব।

## ১.২: অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

অধ্যয়নৰ লক্ষ্য হৈছে— আমাৰ গাঁওৰ জনৰ লিখিলেখা আৰু লিকিসৰৰ ওপৰত অধ্যয়ন কৰা; আৰু অসমৰ লোকসাহিত্যৰ ওপৰত এটি চৌকা প্ৰস্তুত কৰা। আনহাতে উদ্দেশ্য হৈছে- ~~প্ৰথমেও~~ প্ৰথমতে অধ্যয়ন কাৰে নিৰ্বাচিত এলেকাত বসবাস কৰা জনজাতিসকলৰ মাজত প্ৰচলিত লোক সাহিত্যৰ সম্পৰ্কে আলোচিত কৰা। দ্বিতীয়তে গাঁও জনৰ বা অঞ্চলৰ প্ৰচলিত লোক সাহিত্যৰ বৈশিষ্ট্য, লোকাচাৰ আদি সাংস্কৃতিক কামকলাপৰ সাদৃশ্য বৈসাদৃশ্য ~~সম্পৰ্কেও~~ সম্পৰ্কেও আলোচিত কৰা হব।

## ১.৬: অধ্যয়নৰ প্ৰয়োজনীয়তা

অধ্যয়নৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ। আমি অধ্যয়ন কৰিলেহে বস্তু এটা সম্পূৰ্ণ ভাৱে শিকিব পাৰো। অধ্যয়নৰ মাধ্যমে আমি শিক্ষা গ্ৰহণ কৰিব পাৰো। এই প্ৰকল্পটো অধ্যয়নৰ জড়িয়তে আমি আমাৰ গাঁও সমূহৰ সকলো দিশ শিকিব বা জানিব পাৰিম। সংস্কৃতিৰ বৈচিত্ৰতাৰে পৰিপূৰ্ণ অসমত জনজাতি-সকলৰ মাজত প্ৰচলিত লোক সাহিত্য সমূহে প্ৰত্যেক সমাজত এক স্বকীয় নিজস্ব দাঙি ধৰি ৰখাত সহায় কৰে। লোকাচাৰভেদে লোকসাহিত্য সমূহ সুকীয়া সুকীয়া হয় আৰু লগে লগে অসমৰ প্ৰত্যেক জাতি তথা জনজাতিৰ লোকসকল তথা

লোকসমাজ অধিষ্ঠিত মানব সত্তাক এক স্বকীয় মর্যাদা প্রদান করে; মাব কালধ্বংসে লোকসাহিত্য দাবোন ধ্বংস হৈ নরে বাস্তবকুলীয়া। এনে-বিষয়র সাংস্কৃতি বা লোকসাহিত্যর বাবে অসম এক অনন্য মাত্র লাভ করে।

---

## ১.০০: প্ৰথম অধ্যায়

## গাঁৱৰ পৰিচয়

যান্ত্ৰিকতাৰ যাতনাৰ পৰা কিছু নিলগত সম্মিলিত মানুহৰ সহানুভূতি আৰু পৰিস্কাৰ সম্পৰ্কৰ মিলনেই হৈছে "এখনি গাঁও"। গাঁও বুলি কলে মানুহৰ মনত এক বিশেষ ছবিৰ সৃষ্টি হয়। যেনে বিল, জান-জুৰি, নদ-নদী, চৰাই-, ভেৰা-ছাগলী, হাঁহ-কুকুৰা ইত্যাদি। ঠিক এনেকুৱা গাঁও এখনিত মই বাস কৰোঁ।

মই বাস কৰা গাঁওখনৰ নাম হৈছে "বগুৰিহাটী"। বগুৰিহাটী গাঁওখন নলবাৰী চহৰৰ পৰা ১১ কিঃমিঃ দক্ষিণ পশ্চিম কোণত পকোৱা মৌজাৰ অন্তৰ্গত এখনি

জনপূর্ণ গাঁও। 'কানি জোং'ত অৱস্থিত গোৱালমাৰা চকৰ লগ্ন মাত্ৰ এক কিঃমিঃ দূৰত এই গাঁৱৰ অৱস্থান। কঠিয়াতলী গাঁৱৰ উল্লেখযোগ্য প্ৰাচীন ইতিহাস পাবলৈ নাই যদিও কিম্বদন্তী (জনশ্ৰুতি) অনুসৰি কিছু আভাস পোৱা যায়। অতীতৰ গাঁৱৰ আশে-পাশে কেবাটাও জান, জুৰি, নৈ, বিল আদিৰে এখন জলাহ ঠাই আছিল। গাঁও সমূহৰ পশ্চিমফালেদি অতীতত 'ন নদী' নামৰ এখনি সৰু নৈ উত্তৰৰ পৰা দক্ষিণলৈ বৈ গৈছিল। ১৯০৪ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পৰ ফলত নৈখন মাৰ গৈ 'মৰে' (মৰানদী) নাম পায়। গুচৰৰ জান, জুৰি আৰু বিলবোৰো প্ৰায় নিঃচিহ্ন হবলৈ ধৰে। নৈখনৰ চুকামৰ অসংখ্য গাছ-লতাৰ উপৰিও প্ৰচুৰ পৰিমাণে

কাৰী গছেৰে গাঁওসমূহ আৱৰি আছিল। সেইকাৰণেই এই গাঁওসমূহৰ নাম কাৰি গছৰ খাটী (চুৰুৰি, শাৰী) বস্তুৰিষ্টাটী হয়। জনশ্রুতি অনুসৰি মানৰ আক্ৰমণৰ সময়ত এই ঠাইৰ নমা কিছুমান লোক আন ঠাইলৈ গুচি গৈছিল আৰু অন্যান্য ঠাইৰ নমা কিছু লোক আহি ইয়াতে থিতাপি লৈ লৈছিলহি।

গাঁওসমূহৰ আশে-পাশে

মৰা দুই-এটা বিলৰ নাম এতিয়াও মানুহৰ মুখে মুখে প্ৰচলিত। যেনে- ঘিচলা বিল, জাখাছুৰি মাকালডুবা, বাটসৰ বিল আদি। তেনেকৈ দুই-এজন ব্যক্তি বিশেষৰ নামো মানুহৰ মুখত এতিয়াও প্ৰচলিত। যেনে- বেচামাৰী, বকদল, বুঢ়াৰ দ, মৌৰিৰ দে আদি।
* উক্ত কিলিকিলাকাও প্ৰাচীন কালত

অনমানি মাছ কাছাৰ উনৰিও বহুবিধ বনৰীয়া চৰাই দেখা গৈছিল। বাঘিমা কালত এই বিলবিলাকত 'নাওঁখেল' খেল প্ৰচলন আছিল। কচুম, ভেট, শোলেকু, ঝিল্লিৰি, নিমেখিৰি, দল ঘাঁহ আদিৰে হাহ ভোৰা আছিল। সতীৰ কুৰৰ নখা মাকা-লেভবালে মিঠা চৰণাৰী জ্যান বিদ্যমান ইমেই বাণ্ডবিকছা গাঁৱৰ পূব সীমা নিৰ্দ্ধাৰণ কৰা বুলি কব পাৰি। এই গাৱঁৰ বৰ্তমান মাটিকালি ২২৫৭ বঃ মিঃ (১৯৭১ চনৰ লোকপিয়ল অনুসাৰি) আৰু জনসংখ্যা প্ৰায় ৫০০০ জন। প্ৰায় ডেৰশ বছৰ পূৰ্বে এই গাঁৱত কলেৰা, মহামাৰীয়ে ১৪০ জন লোকৰ অকালে মৃত্যু ঘটায় আৰু এই চুবুৰীতে পাল নৰিয়ালৰ বংশ একেলগে লোপ পায়। এই গাৱঁৰ বৰ্তমান শিক্ষিত হাৰ ৮৫ শতাংশ।

বগুৰিখাৰী গাঁৱত মুঠতে ১১টা চুবা বা চুবুৰি আছে। সেয়া হ'ল বৰদলৈপাৰা, শেওৰা ব্ৰাহ্মণচুবা, মুছলমান চুবা (ডমাট) শান্তিপুৰ, নীলাচল, নাথপাৰা চৌধুৰীপাৰা কাইনপাৰা, বোৰালীচুবা, জানৰপাৰ আৰু শীলচুবা। বিভিন্ন জাতি ধৰ্মৰ লোকৰ এক পবিত্ৰ মিলন ক্ষেত্ৰ। হিন্দু চুবাবিলাকত নামঘৰ আৰু মুছলমান চুবাত এটা মছজিদ স্থাপন হৈছে।

এই গাঁৱত উচ্চ মাধ্যমিক বিদ্যালয় এখন, মজলীয়া বিদ্যালয় এখন, প্ৰাইমাৰী বিদ্যালয় চাৰিখন, আৰু প্ৰাক্‌প্ৰাথমিক বিদ্যালয় এখন, আদৰ্শ আত্মবয়স্কৰ শিক্ষানুষ্ঠান এখন, আদৰ্শ সংস্কৃত চতুষ্পাঠী টোল এখন, নবীন সংঘ ছাত্ৰ লাইব্ৰেৰী (স্থাপিত: ১৯০৫ চন)।

ইয়াখোলৰ কেইবাটাও সংঘ, সুভিতখাল দুটাকে বাসন্তী পূজা মন্দিৰ, নামঘৰ, শিৱ মন্দিৰ, মছজিদ, গাঁও ৰক্ষী বাহিনী, ডাকঘৰ, মহিলা সমিতি, ক্ষুদ্র সঞ্চয় সমিতি, অংগনবাড়ী কেন্দ্র আদি আদি আছে।

অতীজৰে পৰা বায়নপাৰ্টী, যাত্ৰাপাৰ্টী, নামপাৰ্টী, সংকীৰ্তন পাৰ্টী, মুলীম পাৰ্টী, গাঁও উন্নয়ন সমিতি, মহিলা নাৰী-জাতি দল, গাঁও পঞ্চায়ত আদি অনুষ্ঠানে সামাজিক কামত ব্ৰতী হৈ আছিল আৰু এতিয়াও কিছুমান অনুষ্ঠানে ~~সামাজিক কামত~~ নিষ্ঠাৰে জনহিতকৰ কামত নিয়োজিত হৈ আছিছে।

ইয়াৰ হিন্দুৰ আমবিলাক পূজা-পাতালে স্থানে পৰা প্ৰাধান্য বিস্তাৰ কৰি আহিছে। মুছলমানসকলেৰ মছজিদে ধৰ্মানুষ্ঠানৰ উপৰিও আৰবী শিক্ষাৰ

কেন্দ্ৰখানে কাম কৰাও দেখা যায়।

ওপৰত মোৰ মৰমৰ গাঁও সমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

---

## কওখিয়াগাঁৱৰ ভৌগোলিক পৰিচয়

শিশু মাতৃগৰ্ভত স্থিতি লাভ কৰাৰ পৰা ভূমিষ্ঠ হোৱালৈ সময়, বাৰ তিথি নক্ষত্ৰ আদিৰ ভিত্তিৰ পৰা শিশুটোৰ ৰাশি নিৰ্ধাৰণ কৰা হয় আৰু সেই ৰাশি অনুসৰি শিশুটোৰ নামকৰণ কৰা হয়। ঠিক সেই দৰে বিভিন্ন সময়ত গাঁ উঠা প্ৰতিখন গাঁৱৰে নামৰ আঁৰতো আছে কিছুমান কাৰক।

গাঁৱৰ সমূহত বাস কৰা বাসিন্দা, ভৌগোলিক অৱস্থিতি, ঐতিহাসিক প্ৰসিদ্ধি আদিৰ ওপৰত নিৰ্ভৰ কৰি গাঁওবোৰৰ নামকৰণ কৰা হৈছে। আমাৰ এই লেখাত কওখিয়াটীৰ চৌকাষৰ

কেইখনমান গাঁওৰ নামবোৰৰ গুৰুত্ব
আলোচনাত কৰিবলৈ চেষ্টা কৰা হৈছে।

বগুৰিহাটী : নলবাৰী চহৰৰ পৰা প্ৰায় ছয় কিলোমিটাৰ মান দক্ষিণ পশ্চিমত অৱস্থিত বগুৰিহাটী গাঁও প্ৰাচীন ঐতিহ্যমণ্ডিত গাঁও। জনশ্ৰুতিমতে ন-নদীৰ পাৰত এই ঠাইখিনিত হেনো বগৰী ও গছুৰে ভৰা আছিল। সেইবাবে এই ঠাইক বগুৰিহাটী বুলি কোৱা হয়। বগৰীৰ পৰা বগুৰি আৰু হাটী মানে হ'ল সমূহৰ একত্ৰ বসতি স্থল। লিচুলে মানুহৰ বসতিস্থলক হাটী বুলি কোৱা হৈছিল। গতিকে বগৰী গছৰ পৰা 'বগুৰিহাটী' নামৰ উৎপত্তি বুলি ধৰ ৰিব পৰা যায়। গাঁওখনত ১১টা চুবুৰী আছে। হালৈ চুবুৰি, চান্দকুছীমা চুবুৰী, বামন চুবুৰি, ব্ৰাহ্মণ চুবুৰী, কেওঁৰা ব্ৰাহ্মণ চুবুৰি, কোঁহালী চুবুৰি, মুছলিম

সুতাৰ ব্ৰাহ্মণ চুবুৰি, মুছলিম চুবুৰি, মাৰৱাৰী চুবুৰি, নিলাচিলা চুবুৰি, বৰ্দোনা নাথ আৰু জ্যানৰনাথ চুবুৰি। গাঁওখনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ল গাঁওখনত উদযাপিত হৈ অহা বাসন্তী পূজা। ১৯৪৮ চনত আৰম্ভ হোৱা পূজাভাগ আজি সাৰ্বজনীন ৰূপ লাভ কৰিছে। ২০১১ চনৰ হিচাপ মতে গাঁওখনৰ মুঠ জনসংখ্যা আম ২৯৫৪ জন। ১৫৩৩ জন পুৰুষ আৰু ১৪২১ জনী মহিলা আছে। মন্ত্ৰধ্বনি আৰু আজানৰ সুৰে গাঁওখনক সমন্বয়ৰ সংগীত নন্দিত কৰিছে।

দেহৰ বলোৱা: ৰঙাঝুহাটী নিকটৱৰ্তী এখন প্ৰাচীন গাঁও হ'ল দেহৰ বলোৱা। দেহৰ বলোৱা নামটো সম্পৰ্কে বিভিন্নজনে বিভিন্ন মতপোষণ কৰি আহিছে।

তাৰ ভিতৰত জনপ্ৰিয় মতটো হ'ল এই
যে এই অঞ্চলত অতীজতে মাছ কাছ,
গাখীৰৰ আৰু আন খাদ্য দ্ৰব্যৰ
প্ৰাচুৰ্য আছিল আৰু ইয়াৰ ফলত
এই ঠাইৰ মানুহবোৰৰ দেহৰ বল
আছিল অসীম। এই দেহৰ বলৰ বাবে
ই দেহৰ বলোৱা হয়।

জাগাৰঃ নলবাৰী সদৰৰ পৰা প্ৰায় ১৪
কিঃমিঃ দক্ষিণ পশ্চিমে অৱস্থিত জাগাৰ
এখন প্ৰাচীন ঐতিহ্যমণ্ডিত গাঁও। খ্ৰীষ্টীয়
পঞ্চদশ শতিকাৰ শেষভাগত মহাপুৰু-
ষ শ্ৰী শ্ৰী হৰিদেৱৰ প্ৰধান শিষ্য
আচাৰ্য হৰিচৰণদেৱে এই ঠাইত সত্ৰ
প্ৰতিষ্ঠা কৰি ভাগৱত চৰ্চা আৰু বৈষ্ণৱ
ধৰ্মৰ কেন্দ্ৰস্থলৈ গঢ়ি তোলে। জাগাৰ
নামটো সম্পৰ্কে বিভিন্নজনৰ বিভিন্ন মত
আছে যদিও 'জাগ' শব্দটোৰ পৰাই
জাগাৰ হোৱা বুলি এটা মতবাদটো

অধিক বিশ্বাসযোগ্য। জাগাৰ গাঁওখন এসময় দ্বীপসদৃশ আছিল। বাৰিষাকালত চাৰিওফালে পানীও তল গলেও এই অঞ্চল পানীত তল নোযোৱাকৈ আছিল অৰ্থাৎ জাগ দি আছিল। এই 'জাগ' শব্দটো ৰ পৰাই জাগাৰ শব্দটোৰ উৎপত্তি হয়।

বাটসৰঃ নলবাৰী সদৰৰ পৰা প্ৰায় ১৪ কিঃমিঃ দক্ষিণ-পশ্চিমে অৱস্থিত বাটসৰ গাঁও। অতীজৰে পৰা গাঁওখন সংস্কৃত ভাষা সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থান আছিল। বাটসৰৰ অতি পুৰণি সংস্কৃত বাণী বিদ্যালয়, টোলসমূহ পঢ়িবলৈ অতীজতে অসমৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ আহিছিল।

বাটসৰ গাঁওখনৰ নামকৰণ সম্পৰ্কে দুই ধৰণৰ জনশ্ৰুতি আছে। এটা জনশ্ৰুতিমতে আজিৰ পৰা তিনিশ বছৰ

মান পূৰ্বে কনৌজ দেশৰ পৰা বেইঘৰমানে ব্ৰাহ্মণ আহি বৰপেটা জিলাৰ চিনাদি নামৰ ঠাইত ব্ৰহ্মপুত্ৰৰ পাৰত বসতি কৰিবলৈ লৈছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ বানে প্ৰতিবছৰে জুৰুলা কৰাত নতুন ঠাইত সন্ধানত আহি আহি পলা নদীৰ কাষৰত হাবি-জংঘল চাফ কৰি থাকিবলৈ ল'লে। উক্ত ঠাইত ইতিমধ্যে আৰু বিভিন্ন সম্প্ৰদায়ৰ মানুহো আহি বসতি আৰম্ভ কৰিছিল। তাত সকলো সকলো সম্প্ৰদায়ৰ মানুহ মিলি পথৰ কাষত এটা ডাঙৰ কাচৰা ঘৰ সাজিছিল আৰু এই ঘৰটোত গাঁৱৰ সকলো কথা আলোচনা হৈছিল। পথৰ কাষত সজা এই কাচৰাৰ পৰা বাটৰ হোৱা বুলি বহুতো ক'ব খোজে।

কালাকুছিঃ পশ্চিম পাটৰ কালাকুছি, দেহৰ দূৰ কালাকুছি নামৰ ও মন গাঁও জাগাৰাৰ নিকটৱৰ্তী গাঁও। গাঁও বেইমন আতি দ ঠাইত আৰু ইয়াৰ সাঁতোৰ

আৰুৱা থোৱা বাবে প্ৰচুৰ পৰিমাণে কালা
দাইলৰ খেতি হৈছিল। কালাখেতি প্ৰচুৰ
পৰিমাণে থোৱা ~~প্ৰচুৰ পৰিমাণে কালা~~ বাবে
ঠাইখিনিৰ নাম কালাকুচি থোৱা বুলি
জনা যায়। আন এক প্ৰবাদ মতে এই
ঠাইত পূৰ্বতে 'কেলেই' নামৰ এজন
সম্ভ্ৰান্ত মানুহ আছিল। সেই মানুহজনৰ
নাম অনুসৰি কেলেইকুচি আৰু পৰৱৰ্তী
কালত কালাকুচি হয়। কুচি শব্দৰ অৰ্থ
হ'ল - এটা অঞ্চল বা মানুহৰ জুম।

বাঁহজানী: বাঁহজানী এখন গাঁও আৰু
মৌজাখনৰ নামো বাঁহজানী। বাঁহজানী
গাঁৱৰ নামেই হয়তো ~~ৰ~~ মৌজাখনৰ নাম
বাঁহজানী হয়। নলবাৰী সদৰৰ পৰা প্ৰায়
৮ কিঃ মিঃ দক্ষিণত অৱস্থিত বাঁহজানী
গাঁৱত ২৭ টা চুবুৰী আৰু প্ৰায় ৭০০০ জন-
সংখ্যা আছে। বাঁহজানী নামৰ উৎপত্তি
সম্পৰ্কে জনশ্ৰুতিটো হ'ল পূৰ্বতে এই
অঞ্চলটো দ আছিল আৰু পাগলাদিয়া
নদীৰ লগতে অসংখ্য জান-জুৰি এই

অঞ্চলৰ মাজেৰে বৈ গৈছিল। এই জান বোৰৰ দুয়োপাৰে মানুহে বাঁহ গছ ৰুই 'বৰী' পাতিছিল। জানৰ পাৰত বাঁহ গছ ৰুই ঘৰ-বাৰী পাতি থাকিবলৈ লোৱা বাবে ঠাইসমূহৰ নাম বাঁহজানী হ'ল বুলি কোৱা হয়।

মোহমলী: নলবাৰী জিলাৰ এখন সৰু গাঁও মোহমলী। কামৰূপী উপভাষাত মোহ শব্দৰ অৰ্থ 'মহ'। অঞ্চলটোৰ মানুহ বোৰ মহমিয়াল আছিল বাবে ঠাইখিনিৰ নাম মোহমলী হোৱা বুলি জনশ্ৰুতি আছে। আন কিছুমান মতে ঠাইসমূহ দ আৰু ঘাঁহ-বনেৰে পূৰ্ণ আছিল আৰু মানুহ বোৰে ম'হ চৰাইছিল। সেইবাবেও ঠাইখিনিৰ নাম ম'হমলীৰ পৰা মোহমলী হ'ব পাৰে। মোহমলী গাঁওসমূহত বৰ্তমান প্ৰায় ১৫০০ জনসংখ্যা আছে।

বেলশৰ: অসমৰ এখন উল্লেখযোগ্য তীৰ্থস্থান তথা নলবাৰী জিলাৰ সৰ্ববৃহৎ গাঁও বেলশৰ। এই বেলশৰ

নাম সম্পৰ্কেও বহুতো জনশ্ৰুতি আছে। এক জনশ্ৰুতি মতে প্ৰথম মানুহৰ প্ৰজনী গাইগৰু আছিল আৰু গাইজনীয়ে প্ৰতিদিনে নিয়মিত মৰা 'বিন্না' এচুনৰ ওপৰত আপোনা- আপুনি গাখীৰ দিছিল। এই কথাটো মানুহৰ চকুত পৰাত 'বিন্না' বিৰিণা চুনটোক কেন্দ্ৰ কৰি পূজা- অৰ্চনা আৰম্ভ হ'ল। 'বিন্না' চুনত ঈশ্বৰ থকা বুলি বিশ্বাস হ'ল। এনেদৰে বিন্না- ঈশ্বৰ, বিন্নেশ্বৰ, বিল্লে- শ্বৰ, বিল্লেশ্বৰ আৰু পৰৱৰ্তী সময়ত বেলশৰ হ'ল। শিক্ষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সকলো দিশতে গাঁওখন আগবঢ়া।

আনহাতে বেলশৰ বিল্লেশ্বৰ দেৱালয়ত অসমৰ ভিতৰত সৰ্ববৃহৎ দুৰ্গা পূজা কৰা হয়।

নৰ্দ্দীঃ 'ন' নদীৰ পৰা এই ঠাইখনৰ নাম নৰ্দ্দী হয়। 'অতীৰকুৰে' এতিয়াও 'ন' নদীৰ স্মৃতি বহন কৰে।

কুমাৰীকটাঃ নলবাৰী চহৰৰ পৰা প্ৰায় ১৪ কিঃ মিঃ দূৰত অৱস্থিত কুমাৰীকটা .

তিনিটা মৌজা ক্ৰমে নৱোৱা মৌজা, বাঁহজানী মৌজা আৰু বৰভেৰী মৌজাৰ সংগমস্থল আৰু একেলগে নলবাৰী, বৰভেৰী আৰু ধৰ্মপুৰ সমষ্টিৰ মানুহৰ মিলনভূমি। কুমাৰীকাটা নাম সম্পৰ্কে দুটা জনশ্ৰুতি শুনা যায়। কোনোবা এটাৰ আকৃতিৰ বাবে গাঁওখনৰ নাম কুমাৰীকাটা হয়। আন এক প্ৰবাদ মতে কোনোবা আহোম কুমাৰীক ইয়াত কাটিছিল বাবে তেতিয়াৰ পৰাই গাঁওখনৰ নাম কুমাৰীকাটা হয়।

গোৱালপাৰাঃ ১৮৯৭ চনৰ ভূমিকম্পৰ আগতে বৰ্তমান গোৱালপাৰা নামৰ স্থানৰ মাজেদি 'ন' নদী বৈ গৈছিল আছিল আৰু এই নদীৰ পাৰত বহুতো গোৱালে বসতি কৰিছিল। গোৱালৰ বসতিৰ স্থানৰ পৰা এই ঠাইৰ নাম গোৱালপাৰা হ'ল বুলি প্ৰবাদ আছে।

ভৌগোলিক স্থানাংকঃ

দেশ – ভাৰত ।

ৰাজ্য – অসম ।

জিলা – নলবাৰী ।

পিন – ৭৮১৩১০

ৱেবছাইট – nalbari.assam.gov.in

যানবাহনৰ নম্বৰ – AS-14

---

গাঁৱৰ পাতিকলিঃ চৰকাৰীভাৱে ঘোষিত এখন আদর্শ গাঁও – বগুৰিগুৰি। নলবাৰী জিলাৰ বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত এইখন ব্ৰাহ্মণ, বৈশ্য, শূদ্ৰ, কোঁচ, নাথ, কলিতা আদি কৰি মুছলমান সমন্বিতে এখন গাঁও।

এই গাঁওৰ বৰ্তমান পাতিকলি ১১৫৭ বঃ মিঃ (১৯৯১ চনৰ লোকপিয়ল অনুসৰি) আৰু জনসংখ্যা প্ৰায় ৫০০০ জন।

বগুৰিগুৰি গাঁৱত মুঠতে ১১টা চুবা বা চুবুৰি আছে। সেয়া হ'ল –

① বৰ্দনা নাৰা ② ক্ষেত্ৰ ব্ৰাহ্মণচুবা, ③ মুছলমান চুবা ④ শান্তিপুৰ ⑤ নীলাচিলা ⑥ নাটকনাম ⑦ চৌধুৰী নাম, ⑧ বাইনমাধ ⑨ কেম্পালীচুবা, ⑩ জ্ঞানৰনাৰ ⑪ শীলচুবা। এই গাঁও সমূহ বিভিন্ন জাতি ধৰ্মৰ লোকৰ এক পবিত্ৰ মিলন ক্ষেত্ৰ।

গাঁওৰ চাৰিসীমা:

আমাৰ গাঁওৰ চাৰিসীমা নলবাৰী চহৰৰ মধ্য ভাগে পূবে - বস্তুৰিহুৱাটী, দক্ষিণে - কালাকুচি, উত্তৰে - কুমাৰিকাটা, পশ্চিমে - বলোৱা। এই চাৰিসমূহ গাঁও লোৱা যায়।

আনহাতে আমাৰ গাঁও সমূহৰ (বস্তুৰিহুৱাটী) চাৰিসীমা চাবলৈ গ'লে — উত্তৰে বৰ আলি নামেৰে এটা অঞ্চল বহল আলি আছে। আলি টোৰ আশে-পাশে বহুতো আম গাছ আছে। দক্ষিণ দিশত আছে চাৰিখন পুখুৰী মানৰ মাটিৰ কালিৰ এমন সমান সভাৰ।

পুৰ দিশত আছে এটা জান ; গাঁওৰ বিহু পূজা, বিবাহ আদিত সেই জান টোৰ সকলোৱে পানী তোলে। সেই জানটোৰ পানী পবিত্ৰ বুলি গণ্য হয়। আৰু পশ্চিম দিশত আছে আমাৰ গাঁও শিক্ষা-স্থান অৰ্থাৎ গাঁওৰ স্কুল। (বগুৰিগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়)।

এই খিনিয়ে আমাৰ গাঁওৰ চাৰিসীমা।

## কৰ্ম আৰু জীৱিকা:

গাঁওৰ কৰ্ম আৰু জীৱিকা বুলি কবলৈ গলে বিশেষকৈ গাঁও মানুহ খিনিয়ে কৃষিৰ ওপৰত নিৰ্ভৰশীল।

বগুৰিগুৰি গাঁৱৰ প্ৰাথমিক বৃত্তি হৈছে কৃষি। কৃষিৰ বাহিৰেও একাংশ লোকে ক্ষুদ্ৰ ব্যৱসায়, যেনে গেলামালৰ দোকান, খুচুৰা বিক্ৰী আদিতো নিয়োজিত হৈ

আছে।

সকলো ডাঙৰ অৰ্থনৈতিক কাম-কাজৰ বাবে হিচা গাওঁ সমূহৰ মানুহে ওচৰৰ চহৰ নলবাৰী বা গুৱাহাটীৰ ওপৰত নিৰ্ভৰ কৰে। নলবাৰী চহৰখনত সুসংযুক্ত ৰেলৰে ষ্টেচনো আছে, যাৰ আগ মালত অসমৰ আন আন ডাঙৰ চহৰলৈ সহজে যাব পৰা যায়।

গাঁৱৰ খনত ১৬৫৭ জন লোক কৰ্মকাণ্ডত নিয়োজিত। ইয়াৰে ৫৩.৪৩% শ্ৰমিকে নিজৰ কামক মূল কাম বুলি (নিয়োগ বা ৬ মাহতকৈ অধিক উপাৰ্জন) বুলি বৰ্ণনা কৰাৰ বিপৰীতে ৩৬.৭৫% শ্ৰমিকে ৬ মাহতকৈ কম সময়ৰ বাবে জীৱিকা প্ৰদান কৰা প্ৰান্তীয় কাৰ্য্য-কলাপত জড়িত। মূল কামত নিয়োজিত ১৬৫৭ জন শ্ৰমিকৰ ভিতৰত ১৬৬ জন খেতিয়ক (মালিক বা সহপ্ৰজন) হোৱাৰ

বিনৰীত ১৩৭ জন কৃষি শ্ৰমিক।

অনহাতে গাঁওসমূহৰ কিছু সংখ্যক লোক ব্যৱসায়, আন কিছু সংখ্যক চৰকাৰী চাকৰী কৰি জীৱন নিৰ্বাহ কৰি আছে। কামৰীয়া আৰু নলবাৰী চহৰসমূহে বৃহৎ অৰ্থনৈতিক কাম-কাজৰ কেন্দ্ৰ হিচাপে কাম কৰে।

ওপৰত আমাৰ গাঁওসমূহৰ কৰ্ম আৰু জীৱিকা উল্লেখ কৰা হ'ল।

---

২.০০: দ্বিতীয় অধ্যায়

লোকসাহিত্যৰ পৰিচয়:

সাহিত্য বুলিলে বোলেই কবিতা; নাটক, গল্প উপন্যাস আদি লিখিত গ্ৰন্থৰ বিষয়ে জানো আছে যদিও এনে গ্ৰন্থ সৃষ্টি হোৱাৰ বহুকালৰ পূৰ্বে অৰ্থাৎ লিপিৰ উদ্ভৱ হোৱাৰ বহু আগৰে পৰা জনসাধাৰণৰ মাজত প্ৰচলিত এক প্ৰকাৰ মৌখিক সাহিত্য চলিছিল সেয়া সেয়া হ'ল এক লোকসাহিত্য।

কেতিয়া পৰা অসমত লোক সাহিত্যৰ প্ৰচলন আৰম্ভ হৈছিল, কোনেও কব নোৱাৰে। লোক সাহিত্য আদিম যুগৰে পৰা নিৰক্ষৰ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহিছে। বিশ্বৰ আন আন দেশৰ লোক সাহিত্যৰ দৰে অসমীয়া লোক সাহিত্য অতি প্ৰাচীন কালৰে পৰা নিৰক্ষৰ জনজাতি মাজত ৰচিত আৰু

প্ৰচলিত হৈ আহিছে। ভাব অনুভূতিৰ আৰু ৰচনা প্ৰণালীৰ সৰলতাই লোক সাহিত্যৰ ঘাই বৈশিষ্ট্য। লোক সাহিত্যৰ গীত মাতবোৰৰ লগে লগতে সভ্যতাৰ ভীষণ প্ৰভাৱ। আধুনিক কাব্যৰ লগতে সহজতা সৰলতাৰ বৈশিষ্ট্যৰ বাবেই গীত সাহিত্যৰ অমিল দেখিবলৈ পোৱা যায়।

লোক সাহিত্যৰ মানৱ জীৱনৰ সুখ-দুখ আশা আকাংক্ষা, ঘৃণা প্ৰশংসা, হা হুতাশ আদি বিভিন্ন অনু-ভূতি, হৃদয়ৰ প্ৰতি স্পন্দন, দেহ ভংগীমাৰ প্ৰকাশ, কৰুণতা মনৰ চঞ্চলতা, সামাজিক চিত্ৰ, প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আদি প্ৰকাশ পাইছে। যুগ যুগ ধৰি অসমীয়া জন-সাধাৰণৰ স্মৃতিৰ ওপৰত ভিত্তি নিৰ্ভৰ কৰি লোক সাহিত্য জীয়াই আছে।

ড° প্ৰফুল্ল দত্ত গোস্বামীৰ মতে - জন সাহিত্যৰ আৰম্ভণি হৈছে গাঁও

আৰু স্বভাৱ, তাৰ প্ৰেৰণা হৈছে জনসাধাৰণৰ স্বপ্ন-দুখ, আশা-নিৰাশা, কাম-কাজ, প্ৰেম-বিৰহ। বিশেষ এটা সামাজিক আবেষ্টনী লৈহে এইবিলাকৰ সৃষ্টি হয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ অসমীয়া সাহিত্যৰ চানেকী ত গীতিযুগ বুলি অসমীয়া সাহিত্যৰ ত প্ৰাচীনতম কালচোক নিৰ্দেশ কৰিছিল। এই যুগটোক তেওঁ খ্ৰীষ্টীয় ৬০০ ৮০০ অব্দৰ ভিতৰত ধৰিছিল।

অসমীয়া লোক সাহিত্যৰ প্ৰধানকৈ বিষয় বস্তু আৰু ৰচনা ৰীতিৰ ফালৰ পৰা তিনিটা ভাগত ভাগ কৰিব পাৰি — ক।

(ক) লোক গীত।

(খ) ফাকৰা যোজনা আৰু সাধুৰ মন্ত্ৰৰ।

(গ) সাধুকথা।

## ২.০১ লোকসাহিত্যৰ সংজ্ঞা আৰু শ্ৰেণীবিভাগ ঃ

লোকসাহিত্যৰ সংজ্ঞাঃ পৰম্পৰাগত লোকবিদ্যা আৰু লোক-প্ৰজ্ঞাৰ ভেটিত লোক-ভাষাৰ মাধ্যমেৰে লোকজীৱনত গঢ় লৈ উঠা বাচিক কলাই মৌখিক সাহিত্য বা লোকসাহিত্য। নিৰক্ষৰ জনসমাজত মুখে মুখে ৰচিত আৰু অলিখিত ৰূপত মুখে পৰম্পৰাৰে প্ৰচলিত হৈ অহা বাবে ইয়াক সাধাৰণতে মৌখিক সাহিত্য বুলি কোৱা হয়। শিল্পী-সত্তাৰ বিকাশ-প্ৰকাশৰ লগতে লোকৰঞ্জনৰ ৰমণীয় ভংগী আহিলা বাবে লোককলাৰ সৃষ্টি। মৌখিক সাহিত্য সাহিত্যও তেনে এবিধ মনোৰমা লোক-কলা।

লোকসাহিত্য সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে।

তাৰে কেইটিমান উল্লেখ কৰা হৈছে—

ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে

“লোক সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি: সমাজৰ সৰ্বজনৰ ভাব, চিন্তা আৰু কল্পনাৰ মিলন ভূমি; সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কৰ্মক্ষেত্ৰ। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক সাহিত্য চিৰন্তন আৰু চিৰজীৱী হৈ আছে।”

ড° প্ৰফুল্ল দত্ত গোস্বামীৰ মতে, “এইবিলাক (জন সাহিত্য) হৈছে মুখে মুখে ৰচনা কৰা আৰু মুখে বাগৰি জীয়াই থকা পুৰণি নাম, নদ, মালিতা, ফকৰা বচন, সাঁথৰ, সাধুকথা।”

ড° নবীনচন্দ্ৰ শৰ্মাৰ মতে, “লোক সাহিত্য হ'ল লোক জীৱনৰ যুগ যুগ সঞ্চিত জ্ঞান আৰু অভিজ্ঞতাৰ বহিঃপ্ৰকাশ।”

লোকসাহিত্যৰ শ্ৰেণীবিভাগঃ- অসমীয়া লোক সাহিত্য পদ আৰু গদ্য উভয়তে ৰচিত। ইয়াৰ সৰহ ভাগেই গীতি সাহিত্য। এই সাহিত্যবোৰ হ'ল —

(ক) বিহুগীত আৰু বনঘোষা।
(খ) লোকগীত।
(গ) বিয়ানাম।
(ঘ) নিচুকনি গীত।
(ঙ) আইনাম।
(চ) কাহিনী গীত ইত্যাদি।

বিহুগীত আৰু বনঘোষাঃ- অসমৰ লোক বিহুগীত আৰু বনঘোষাৰ এক বিশেষ মৰ্যাদাপূৰ্ণ স্থান আছে। সাধাৰণতে চ'ত বহাগ মাহত প্ৰকৃতি জগত বসন্তৰ স্পৰ্শেৰে ৰূপ-ৰস কৈ উঠে। এই সময়তে অনুষ্ঠিত হয় বিহু উৎসৱ। এই বিহু উৎসৱৰ লগত ৰজিতা খুৱাই ৰচিত হয় এই বিহুগীতসমূহ।

ইয়াত প্ৰকৃতিৰ সৌন্দৰ্যৰ লগত হৃদয়ৰ প্ৰেম-প্ৰণয়ৰ ভাবো প্ৰকাশ পায়। বনঘোষা বোৰত প্ৰকৃতিৰ প্ৰতি এক প্ৰকাৰ আকৰ্ষণ প্ৰকাশ পায়। প্ৰকৃতিৰ জগতৰ সৌন্দৰ্য খনি ইয়াত সুন্দৰভাৱে প্ৰকাশি উঠে।

লোকগীতঃ সুৰ লগাই গোৱা হ'য় লোক-গীত সমূহ। সাধাৰণতে এই গীতবোৰত সৰু সৰু ভাবানুভূতি একোটাক প্ৰকাশ কৰা হয়। কেতিয়াবা আধ্যাত্মিক ভাবে ইয়াৰ মাজতে প্ৰকাশি উঠে। সাধাৰণতে শংকৰ-মাধৱৰ প্ৰভাৱৰ কাৰণে কামৰূপী লোকগীতত আধ্যাত্মিক ভাৱেহে বেছিকৈ বিকশিত হোৱা দেখা যায়।

বিয়ানামঃ সামাজিক অনুষ্ঠানবোৰৰ লগত জড়িতা সুৰাই ৰচিত লোক-সাহিত্যৰ ভিতৰত উল্লেখযোগ্য হ'ল বিয়ানামবোৰ। বিয়াত সাধাৰণতে এগালে সুখ আৰু-আনন্দালে দুখ প্ৰকাশ পায়।

এজনক বিদায় দিয়া আৰু আন এজনক আদৰি লোৱা এই দুয়োটায়ে একেলগে বিয়ানামবোৰত ধৰ্মীয় আনন্দদায়ক এই শ্ৰেণী গীত শু আৰু লগতে বিষাদাত্মক। সেয়ে বিয়ানামবোৰৰ এই শ্ৰেণী গীত সুৰ গম্ভীৰ। বিয়ানামবোৰত ধৰ্মীয় আদৰ্শও কৃজিতা সোমাই থাকে। সেই কাৰণে এই কৃষ্ণৰ নাম বা গীতবোৰক ঈশ্বৰৰ লগত যুক্ত কৰা হয়।

মহোহো গীতঃ এনে সামাজিক লোক-অনুষ্ঠান মহ খেদা উৎসৱক কেন্দ্ৰ কৰি মহোহো গীতবোৰ ৰচা হয়। মহ খেদাক উপলক্ষ কৰি লোকজীৱনৰ ভাৱ-ধাৰাক ইয়াত স্থান দিয়া হয়। অসমৰ বিভিন্ন অঞ্চলৰ এই গীতবোৰ বিভিন্ন ৰকমৰ।

আইনামঃ অসমৰ নানা ধৰ্মীয় অনুষ্ঠান ৰ ভিতৰত গোসাঁনী পূজাও অন্যতম।

গোসাঁনী দুর্গা, কালী, আই আদিক বন্দনা করি এই নামবোৰ গোৱা হয়। এই গীতবোৰত ভক্ত প্ৰাণৰ আকুতি সুন্দৰভাৱে ফুটি উঠিছে। লখিমী সবাহ, অপেশ্বৰী সবাহৰ নামবোৰকো এই শ্ৰেণীৰ গীতৰ অন্তৰ্ভুক্ত কৰিব পাৰি। সাধাৰণতে এই গীতবোৰৰ যোগেদিয়েই দেৱ-দেৱীবোৰৰ জন্ম, মহিমা বৰ্ণাই তেওঁক সুখ শান্তি দিবলৈ আৰু সকলো কষ্ট নিবাৰণ কৰাৰ কাৰণে গোৱা হয়।

কাহিনী গীতঃ অসমীয়া লোক-সাহিত্যৰ এক বৃহৎ অংশ আগুৰি আছে কাহিনী গীতবোৰে। মনিৰাম দেৱানৰ গীত, ফুল কোঁৱৰৰ গীত, নাহৰৰ গীত, বদন বৰফুকনৰ গীত, মইনা ফুলেশ্বৰীৰ গীত আদি এই শ্ৰেণীৰ লোকগীত। এই গীতবোৰত একোটা সু-সংঘবদ্ধ কাহিনী থাকে আৰু ইয়াৰ সুৰ লগাই

তাৰ নামকৈ ছন্দোবদ্ধভাৱে ৰচনা কৰা হয়। বুৰঞ্জী প্ৰসিদ্ধ ব্যক্তিবোৰৰ জীৱনৰ উৎপত্তি প্ৰাচীন লোক সাধুবোৰকো এই শ্ৰেণীৰ গীতবোৰও তুলি ধৰা হয়।

২.০২ লোকসাহিত্যৰ বৈশিষ্ট্যঃ

অসমীয়া লোক সাহিত্য সমূহ সামগ্ৰিক ভাৱে বিচাৰ বিচাৰ কৰিলে বহু কেইটা বৈশিষ্ট্য দেখা যোৱা যায়।

ই হ'ল লোক সাহিত্যৰ এক অন্যতম বৈশিষ্ট্য। লোক সাহিত্য সমূহৰ একো একোটা ছন্দোময় প্ৰকাশ দেখা যোৱা যায়।

১/ গীতিধৰ্মীয়তাঃ লোক সাহিত্য সমূহক কল্পনাৰ প্ৰৱণতা আৰু অনুভূতিৰ তীব্ৰতাই গীতিময় ৰূপ লাভ কৰাত সহায় কৰা দেখা যায়।

২/ ৰসীয় ৰচন-ধাৰণাঃ লোক সাহিত্যৰ লগত

ধর্ম তথা ধর্মীয় বিশ্বাসৰ ওতঃপ্ৰোত সম্পৰ্ক দেখা যায়।

৩/ সৃষ্টিঃ লোক সাহিত্য সমূহ কোনো এক বিশেষ ব্যক্তিৰ সৃষ্টি নহয়। ই কেতিয়াৰ পৰা আৰম্ভ হৈছিল তাকো কোনো নিৰ্দিষ্ট তথ্য পাবলৈ নাই।

৪/ সৃষ্টিশীলতাঃ মানুহৰ জীৱনৰ অভিজ্ঞতাসমূহে বিশ্বাস সম্বলিত, বিভিন্ন নীতি শিক্ষাৰে পৰিপূৰ্ণ লোক সাহিত্য সমূহত সমাজত প্ৰতিভাসম্পন্ন ব্যক্তি মনৰ সৌন্দৰ্যবোধ প্ৰতিফলিত হোৱা দেখা যায়।

৫/ সাৰ্বজনীনঃ অনন্ত কালৰে পৰা পৃথিৱীৰ সকলো ব্যক্তিৰে আশা আকাংক্ষা ভাব আবেগ অনুভূতি ৰুচি প্ৰকৌশলৰ।

৬/ সময়ঃ বুৰঞ্জীৰ কথাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা লোক সাহিত্য সমূহৰ বাদে অন্য কিমান কেতিয়া সৃষ্টি হৈছিল তাক তাৰৰ কথাটো অতি জটিল।

৭/ সামাজিক দলিল: লোক সাহিত্য সমূহত এসমন সমাজৰ সৰম্পৰাগত আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, ধ্যান ধাৰণা আদিৰ অকৃত্ৰিম প্ৰকাশ হোৱা দেখা যায়।

লোক সমাজৰ সৃষ্টিশীল মনৰ প্ৰতিভাশালী খনে লোক সাহিত্যত সমাজক এনে দাপোনৰ দৰে প্ৰকাশিত কৰা দেখিবলৈ পোৱা যায়। সেয়ে ইয়াক সামাজিক দলিল বুলিও অভিহিত কৰিব পাৰি।

৮/ বস্তু বৰ্মীতা: সমাজ জীৱনৰ আশা আকাংক্ষা লোক সাহিত্যত ফুটি উঠা দেখিবলৈ পোৱা যায়। ব্যক্তি বিশেষে নিজৰ মনৰ অনুভূতিৰ প্ৰকাশ ঘটোৱা বিভিন্ন গীত মাত বোৰ এটা সমগ্ৰ সমাজৰ অনুভূতি প্ৰকাশৰ মাধ্যম হৈ পৰে।

৯/ প্ৰকৃতি বৰ্মীতা: প্ৰকৃতিৰ সৈতে সমাজ জীৱনৰ সম্বন্ধ এৰাব নোৱাৰি। লোক

সাহিত্যত প্ৰকৃতিৰ অনবদ্য বৰ্ণনা অতি মনো-
মোহা ৰূপত প্ৰকাশ পায়।
পুনৰও উল্লেখ কৰি অহা হৈছে,
যে, অনাদি কালৰে পৰা মানুহে বিভিন্ন
প্ৰাকৃতিক দুৰ্যোগ, মাৰি- মৰক, ধুমুহা
আৰু বজ্ৰপাত, ভূমিকম্প, আদিৰ পৰা ৰক্ষা
পাবৰ বাবে বিভিন্ন অদৃশ্য শক্তিক মাগি
যজ্ঞ পূজা পাতল কৰি আহিছে।
১০/ সৰলতাঃ ইয়াৰ ভাৱ ভাষা শব্দৰ কোমল-
তাই সকলোৰে মন চুই যায়।
বিষয়বস্তু স্থান কাল আদি
ভেদে তাৎ লোৱা এই সাহিত্যই লোক-
সমাজৰ সহজ সৰল মনৰ উমান দিয়ে।
১১/ লোকবিশ্বাসঃ পৰম্পৰা আৰু লোক-
বিশ্বাসৰ দ্বাৰা গঠিত হয় লোক সাহিত্যৰ।
লোক বিশ্বাসৰ দ্বাৰা যদি লোৱা লোক
সাহিত্যত লোক জীৱনৰ মনস্তাত্ত্বিক

দিশটো দেখা পোৱা যায়।

বৰমুণৰ লগত বিভিন্ন দেৱ-দেৱীৰ সম্পৰ্ক, কৃষিৰ লগত প্ৰকৃতিৰ সম্পৰ্ক আদি বিশ্বাসৰ মূলত গোৱা গীত মাত আদিয়ে লোক সাহিত্য সমৃদ্ধ কৰি তোলে।

ওপৰত লোকসাহিত্যৰ বৈশিষ্ট্যৰ চমু আভাস দিয়া হ'ল।

২.০৩
অসমৰ লোকসাহিত্য সমূহঃ-

সাহিত্যই জীৱনৰ সন্ধান কৰে, জগতৰ সন্ধান কৰে। সমাজৰ দাপোন স্বৰূপ সাহিত্য হৈছে মানৱ সমাজৰ পথ নিৰ্দেশক। মানৱ সমাজত সাহিত্যৰ অৱদান বৰ্ণনাতীত।

- "সাহিত্য" বুলি ক'লে সাধাৰণতে কবিতা, নাটক, উপন্যাস, গল্প, প্ৰবন্ধ হৈন আদিয়েই মনলৈ আহে যদিও এনে সাহিত্য সৃষ্টিৰ বহুকালৰ পূৰ্বেই অৰ্থাৎ লিপি উদ্ভৱ হোৱাৰ বহু পূৰ্বৰে পৰাই জনসাধাৰণৰ

আগতে এক প্ৰকাৰৰ সাহিত্য প্ৰচলিত হৈ আছিল। সেয়া হ'ল 'লোকসাহিত্য' যাৰ একমাত্ৰ বাহক হৈছে মানুহৰ স্মৃতি। অসমৰ লোকসাহিত্যক বিষয়-বস্তুৰ ওপৰত ভিত্তি কৰি তিনি ভাগত ভাগ কৰা হৈছে:

১/ লোকগীত।
২/ ফকৰা-যোজনা, সাঁথৰ মন্ত্ৰ।
৩/ সাধুকথা।

লোকগীত: অতীতৰ পৰাই মানুহৰ মুখে মুখে বাগৰি অহা গীতবোৰেই আমি লোক গীত বুলি কব পাৰোঁ। লোকগীতত অসমীয়া সাহিত্য অতিশয় চহকী। জনজীৱনৰ সুখ-দুখ হৰ্ষ-বিষাদ আদিয়েই লোকগীতবোৰৰ প্ৰাণৰ কথা। সাহিত্যৰ দৃষ্টিভংগীৰে চালে এই লোকগীতসমূহ অধিক মূল্যবান। লোকগীতসমূহক আকৌ তিনি ভাগত

ভাগত ভাগ কৰিব পাৰি।
খ/ক) অনুষ্ঠানমূলক,
খ) আখ্যানমূলক,
গ) বিবিধ বিষয়ক বা
কৰ্মবিষয়ক গীত।

অনুষ্ঠানমূলক:- অসমীয়া সমাজত বিভিন্ন অনুষ্ঠান উদযাপন কৰোঁতে এই অনুষ্ঠান মূলক গীত সমূহ পৰিবেশন কৰা হয়। যেনে:- বিয়ানাম, বিহুগীত, বনগীত, সুবচনীৰ গীত, হুঁচৰি গীত ইত্যাদি।

আখ্যানমূলক:- আখ্যানমূলক গীতসমূহৰ বিষয়বস্তু হৈছে কোনো এটা কাহিনী বা কাল্পনিক আখ্যান।

বিবিধ বিষয়ক বা কৰ্মবিষয়ক গীত:- নাওখেল, বইনাম, নিচুকনি গীত, কামৰূপৰ বৰঙ্গী খোৱা গীত, আদি বিভিন্ন ধৰণৰ গীত অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত হৈ আছে।

ফকৰা-যোজনা:- ফকৰা-যোজনাবোৰ অসমীয়া সাহিত্যৰ এক ডাঙৰ সম্পদ। ই প্ৰয়োগে ভাষাটো চহকী কৰে আৰু আনফালে ভাষাটোৰ সৌন্দৰ্য্য বৃদ্ধি কৰে। ক্ৰমবৰ্দ্ধমান সমাজৰ বিচিত্ৰ অভিজ্ঞতাৰে লুকাই অনেক চুটি, সহজ অথচ অৰ্থবহ ফকৰা-যোজনাই লোকসাহিত্য সমৃদ্ধ কৰি আহিছে। যোজনাবোৰ একোটা বিশেষ ভাবৰ নিৰ্দেশক আৰু বাহক। একো কথা বুজ বুজাবলৈ আন একো কথাৰ লগত তুলনা কৰি ফকৰা-যোজনা ব্যৱহাৰ কৰা হয়।

সাঁথৰ: ফকৰা-যোজনাবোৰৰ দৰেই সাঁথৰ অসমীয়া চুটি মৌখিক অভিব্যক্তি। সাঁথৰবোৰে বুদ্ধিমত্তাৰ পৰিচয় দিয়ে। সাঁথৰবোৰৰ বিষয়বস্তু সাধাৰণতে ঘৰুৱা জীৱনৰ লগত সংযুক্ত হৈ থকা আহিল। প্ৰতিটো সাঁথৰ অন্তৰালত একোটা উত্তৰ থাকেই।

যেনে: "ঘৰৰ ওপৰত ঘৰ, তাতে নৰি মৰ।" (আঠুৰা)।

"মাৰিলে কান্দে উলাই নাহে" (ঢোলৰ)।

সাধুকথা: পৃথিৱীৰ সকলো জাতি-জনগোষ্ঠীসমূহৰ অন্যতম মূল্যবান সম্পদ হৈছে সাধুকথা। লোক জীৱনৰ মাজত অন্তৰ্হিত হৈ থকা ধৰ্মধাৰা, বিশ্বাস, কল্পনা, চিন্তা, আদৰ্শ আদি সাধুকথাৰ মাজেদি প্ৰতিফলন ঘটাব পাৰে। সাধুকথাৰ সম্পৰ্কত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই আগবঢ়োৱা মন্তব্য এটা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। "এটা জাতিৰ পুৰণি সাধুকথাৰ ইতিহাস আৰু ভাষাৰ ভিতৰত এটা জাতিৰ ইতিহাস এনেকৈ ভেদৰ যুদ্ধৰ ইতিহাসতকৈ মূল্যবান কিয়নো মানৱ জীৱনৰ বাবে আৱশ্যকীয় নীতি-শিক্ষা সাধুকথাবিলাকে যোগান ধৰিব পাৰে।" সাধুকথাৰ কাহিনীত অলৌকিকতাই প্ৰাধান্য লাভ কৰে। সাধুকথা কওঁতাৰ নিজা ভংগী থাকে সেই ভংগীৰে ক'লেহে তাৰ বৈশিষ্ট্য সঠিক প্ৰকাশ হয়।

তলত অসমৰ লোক-সাহিত্যৰ সমূহৰ এটি চমু বৰ্ণনা দিয়া হ'ল।

## ৩.০০: তৃতীয় অধ্যায়

আৰ্যৰ বিয়ানাম:

বিবাহ প্ৰথাটো অতি পুৰণি। বেদতো অনেক মন্ত্ৰত বিবাহৰ কথা উল্লেখ আছে।
সোমস্য জায়া প্ৰথমং গন্ধৰ্বস্তে পৰঃ পতিঃ।
তৃতীয়োঽগ্নিষ্টে পতিস্তুৰীয়স্তে মনুষ্যজাঃ॥ (ঋগ বেদ)
অৰ্থাৎ – "হে কন্যা! তোমাক প্ৰথমতে সোম, দ্বিতীয়তে গন্ধৰ্ব, তৃতীয়তে অগ্নি আৰু চতুৰ্থতে মনুষ্যে বিবাহ কৰিছিল। তেনেকুৱা তোমাক অগ্নিয়ে ধন পুত্ৰলৈ সেয়ে মোক দান কৰিছে।" বেদত উল্লেখ থকালৈ চাই বাব পাৰি যে বিবাহ নিশ্চয়কৈ বৈদিক পৰম্পৰা।

আমি হিন্দুসকলৰ বিবাহ এটি গুৰুত্বপূৰ্ণ সংস্কাৰ। বিবাহ অনুষ্ঠানত মানৱ জীৱনৰ ঐহিক আৰু পাৰলৌকিক দিশত নানা ধৰণৰ তত্ত্বমূলক কথা জড়িত হৈ থাকে। গৃহ্যসূত্ৰ-ৰ মতে গৃহস্থৰ মূল হৈছে বিবাহ।

হিন্দু ধৰ্মমতে প্ৰত্যেকজন পুৰুষ-নাৰীয়ে বিবাহ বন্ধনৰ দ্বাৰা সুখ-শান্তিৰে গৃহস্থাশ্ৰম পালন কৰিব লাগে। বিবাহ আঠ প্ৰকাৰৰ-

১/ ব্ৰাহ্ম বিবাহ
২/ দৈব "
৩/ আৰ্ষ "
৪/ প্ৰাজাপত্য "
৫/ আসুৰ "
৬/ গান্ধৰ্ব "
৭/ ৰাক্ষস "
৮/ পৈশাচ "

ব্ৰাহ্ম বিবাহঃ বিদ্বান-সদাচাৰী বৰক আমন্ত্ৰণ কৰি আনি অলংকাৰ আদিৰে অৰ্চনা কৰি দাতাই অলংকৃতা কন্যাক দান কৰাই হ'ল ব্ৰাহ্ম বিবাহ।

দৈব বিবাহঃ জ্যোতিষ্টোমাদি যজ্ঞত কৰ্মকৰ্তা পুৰোহিতক সালংকৃতা কন্যাদান কৰাই হ'ল দৈব বিবাহ।

প্ৰাজাপত্য বিবাহঃ কন্যাদাতাই যোগ্য ব্যক্তিক বৰ হিচাপে অৰ্চনা কৰি, কন্যাজনীৰ সৈতে উভয়ে গাৰ্হস্থ্য ধৰ্ম আচৰণ কৰিবা - এইদৰে কৈ কন্যাদান কৰিলে তাক প্ৰাজাপত্য বিবাহ বুলি কোৱা হয়।

বিয়া হ'ল এক সামাজিক বান্ধোন। সামাজিক ভাৱে বিয়াৰ যোগেদিহে এজন পুৰুষ আৰু এগৰাকী নাৰীৰ মাজত সম্পৰ্ক স্থাপন হয়। বিবাহ কাৰ্য হ'ল অসমীয়া সমাজৰ অতি আনন্দদায়ক উৎসৱ। অসমীয়া সমাজত বিয়া বুলি কলে মানুহৰ মনত এক উৎসৱ মৌসমৰ পৰিৱেশৰ সৃষ্টি কৰে। বিশেষকৈ গাঁৱৰ বিয়াবোৰে এক বিশেষ পৰিৱেশৰ সৃষ্টি কৰে। গাঁৱৰ বিয়াবোৰৰ ~~অতি~~ নীতি-নিয়ম সমূহ অতি মনোমহা। বহুতো ৰীতি- পুৰণি নীতি-নিয়মেৰে গাঁৱৰ বিয়া সমূহ পালন বা অনুষ্ঠিত কৰা হয়।

আমাৰ গাঁওৰ বিবাহ সমূহ 'ব্ৰাহ্ম বিবাহ' প্ৰথাৰে অনুষ্ঠিত কৰা হয়। অৰ্থাৎ ব্ৰাহ্ম বিবাহ ৰ নীতি-নিয়মেৰে অনুষ্ঠিত কৰা হয়। যিদৰে গাঁওৰ বিবাহ সমূহত আয়তী সকলে বিয়া নাম সমূহ গায়। সকলো গাঁওৰে বিয়া নাম সমূহ বেলেগ বেলেগ ধৰণৰ হয়। আমাৰ গাঁওৰ বিয়া নাম সমূহ তলত উল্লেখ কৰা হ'ল

<u>বিয়ানাম</u>:- অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন সময়ত আয়তী সকলে গোৱা মাংগলিক গীত। এই বিয়া নামবোৰ অসমীয়া লোক সাহিত্যৰ এক অন অমূল্য সম্পদ। এই বিয়া নামবোৰ বিবাহ অনুষ্ঠানৰ বিভিন্ন সময়ত গোৱা হয়। যেনে- কইনা উলিয়াই দিয়া সময়ত, সুবাগ তোলা সময়ত, পানী তোলাৰ সময়ত, দৰা আদৰোতে, হোমৰ জুৰি ৰখোঁতে বিধে বিধে এই গীত

বোৰ গোৰা হয়।

আমাৰ গাঁওৰ এটি বিয়ানাম :-

বেলি ওলাই যোৱা (২)।
সোহুৰ নৰে ভেঙিয়া ॥
পানী তুলি আনোগে।
দূৰৰ হব এতিয়া ॥
উৰুলি ........

ৰাম কৃষ্ণ ঝিলিকি ঝিলিকি।
ৰামকৃষ্ণ দেখিছো যমুনা ॥
হৰিমোৰ এই নৈ আছে কদমৰ তলে (২)।
ৰামকৃষ্ণ কান্ধে কলচী লৈ ॥
ৰামকৃষ্ণ যমুনা ঘাটলৈ।
হৰিমোৰ এ পানী তুলিবলৈ যাওঁ (২) ॥
জুৰলি দিয়া এ জল আনী।
গুৰা পান দিম ॥ ........

৩.০১ জুৰোণ দিওঁতে দিয়া বিয়ানাম : ব্যাখ্যা

বিবাহৰ আন এটা প্ৰধান অংশ

হৈছে জুৰোণ দিয়া। অৰ্থাৎ বিয়াৰ

আগ দিয়া দৰা ঘৰৰ লগত কইনা
লৈ নাৰে কাপোৰ, আ-অলংকাৰ
আৰু বহুতো বস্তু নীতি-নিয়মেৰে দৰা
ঘৰৰ মানুহ আহি কইনাক নির্দি পিন্ধাই
লৈ যায়। আৰু জুৰোণৰ দিনাইয়ে দৰাই
কইনাক সেন্দুৰ পিন্ধাই। এই অনুযায়ী
বিভিন্ন ভিন্ন নীতি-নিয়মেৰে জুৰোণৰ
সভা অনুষ্ঠিত কৰা হয়।

— আমাৰ গাঁৱৰ জুৰোণ

দিওঁতে দিয়া বিয়া নাম গীত তলত উল্লেখ
কৰা হ'ল —

উৰুলি ..........
ওলাই আহা সাঁচি মণ্ডো।
বজাৰ সুৱা লৈ ॥
শুভ লগনে যাত্ৰা কৰোঁ।
জোৰণ দিবলৈ ॥
ৰাইজে দিছে হৰিষ ধ্বনি।
আয়তীৰে উৰুলি ॥(২)

জোৱন সাঁজোই যাত্ৰা কৰে।
কৃষ্ণ কৃষ্ণ বুলি ॥
সাঁজাই লোৱা সচিপ্ৰভো।
সোঁণৰ কেৰুমণি ॥ (২)
সাঁজাই লোৱা নাকৰ-শৃগাৰ।
আৰু সেন্দুৰ মণি ॥
উৰুলিৎ.........
গাড়িত মালা লিখাই লয়।
খাইজ্য আছে সাজু হৈ ॥
গুলাই আহা দৰাৰ মাহে।
জোৱা লিখাই আঁহে ॥

৩.০২: নানী তুলিবলৈ যাঁওতে গোৱা গীত:

অসমীয়া বিয়াৰ আন এটা প্ৰথা হৈছে - নানী তুলা। বিয়াৰ নানী তোলা প্ৰথা অতি পুৰণি কালৰ পৰাই অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। বিয়া ঘৰীয়াই প্ৰতিঘৰ মানুহক বিয়াৰ নিমন্ত্ৰণ কৰোতে মহিলাসকলক বিশেষকৈ নানী তুলিবলৈ নিমন্ত্ৰণ কৰি আহে। বিয়া দিনা পুৱা মহিলা সকলৰ লগত দহ বা

কইনা ৰ মাক নদী ঘাটলৈ নামী তুলিবলৈ যায়। আৰু সেই নামীৰে আমতী সকলৰ লগত দৰা বা কইনা জনী পৰ্হলী গাঁ ধোৱাই দিয়ে। আমাৰ সমাজত সেই তুলি অনা পানি যেনিক পবিত্ৰ পানী বুলি কোৱা হয়।

আমাৰ গাঁওত আমতীসকলে নামী তুলিবলৈ যাওঁতে গোৱা বিয়া নাম প্ৰথম তলত উল্লেখ কৰিলো।

উক্তি...........

ৰাম কৃষ্ণও নামী তুলিবলৈ।
ৰাম কৃষ্ণও নৱজিৰা খেলাছে.
ৰাম কৃষ্ণও ওলাইছে দৈৱকী
হৰি মোৰ অ' কদম গাছ কৰি দিলে
হৰি মোৰ অ' জলেৰে যমুনা যায় যায়ে।

আন প্ৰথম বিয়া নাম হল—

ৰাম কৃষ্ণও নামী তুলিবলৈ
ৰাম কৃষ্ণও দৈৱকী ওলাইছে।
হৰি মোৰ অ' কাসত কলচি লৈ

ৰাম কৃষ্ণ আগতে গৈছে
সামনে ও বামনে
ৰাম কৃষ্ণ সামনে বামনে
হৰি মোৰ অ' আমি গঙ্গা জল তুলালো গৈ
ৰাম কৃষ্ণ গঙ্গা ভেটিবটি
ৰাম কৃষ্ণ লোমাই লৈ আলো গৈ
হৰি মোৰ অ'
উৰুলি . . . . . . . .
দূৰে গৈ সুগুৰি
বালি বালৰ শিলিকা . . . . . . . . . . (২)

৬.০৩: কইনা নোৱাওতে গোৱা বিয়ানাম :-

অসমীয়া বিয়াৰ আন এটা প্ৰথা বা নিয়ম হল কইনা নোৱা (কইনা গা ধুৱা)। বিয়া দিনা ৰাতি পুৱা গাঁওৰ আয়তীসকলে নদী ঘাটৰ পৰা পানী তুলি আনী আনি গধূলি কইনা জনীক মা- হৰি হালধিৰে গা ধুৱাই দিয়ে। তেই নদীৰ পানী আৰু মা-হালধিৰে কইনা জনী নোৱাই দিয়া তো এক পবিত্ৰ বুলি মনা হয়।

আমাৰ গাঁওৰ কইনা নোৱাওতে গোৱা বিয়ানাম এটি তলত

প্ৰয়াস কৰা কৰিলো।

উকলি ........

ওলাই আহা আইদেউ এ
মাটিত মঙ্গল চাই (2)
গগনৰ তলিত আ কাৰে
স্বপ্ন চাৰি সাম
ওলাই আহা আইদেউ এ তুমি
আঙুলিক লৈসি
আত অজা বৈ আছে,
তোমাক দেখি
ওলাই আহা আইদেউ তুমি
দুৱাৰ দলিৰ কাষ (2)
ঘৰতে নো সা বৰ লাগে
নকৰিবা লাজ,
চাৰিওফালে কলৰ দুলি
সা মে আমৰ ডালি (2)
তাৰ মাজে সোমাই আইদেউ
কৰিছে খেমালি ॥ (2)

—·—

## ৪.০০: চতুৰ্থ অধ্যায়

গৌৰৱ বিহুনাম:- বিহু আমাৰ অসমীয়া জাতীৰ গৌৰৱ। অসমৰ জাতীয় উৎসৱ হৈছে বিহু। অসমৰ লগতে অসমৰ কোনো কোনো দাঁতি-কাষৰীয়া ৰাজ্যতো কোনো জাতি জনজাতিৰ লোকে বিহু বা ইয়াৰ সমাৰ্থক উৎসৱ পালন কৰা দেখা যায়। বিহুৰ এক বিশেষ বৈশিষ্ট্য হ'ল যে জাতি, বৰ্ণ নিৰ্বিশেষে সকলো লোকে একে একেলগে উদযাপন কৰিব পৰা এক উৎসৱ।

বিহু আমাৰ তিনিটা —

(i) ৰঙালী বিহু
(ii) কাতি "
(iii) মাঘ "

~~ৰ~~ আমি ৰঙালী বিহু ৰঙালী, কাতি বিহু কঙালী আৰু মাঘ বিহু ভোগালী বুলি অসমীয়া সমাজত মানা হয়। এই তিনিটা বিহুৰ ভিতৰত ৰঙালী বিহুত ৰং আনন্দৰ মাত্ৰা সৰ্বাধিক।

বহাগ বা ৰঙালী বিহু ও মানুহৰ
মানুহৰ অসমৰ মূল বিহু উৎসৱ। বসন্তৰ
আগমনীত যেতিয়া প্ৰকৃতি নতুন ৰূপৰে জিলিকি
উঠে; তেতিয়া এই সময়তে জীৱন উপভোগ
কৰিবলৈ আগবাঢ়ি আহে। ৰঙালী বিহু যৌৱন
ৰ উৎসৱ। ডেকা গাভৰুৱে ৰাতি বিহু নাচে,
বিহুৰ মাজতে নিজৰ জীৱন সংগী বিচাৰি
উলিয়ায়। কৃষি সংস্কৃতিৰ আৰম্ভণিৰে নৱ
প্ৰবৰ্তনৰ উৎসৱ চলি আহিছে। বহাগ বা
ৰঙালী বিহু একেৰাহে সাতদিন ধৰি উদযাপন
কৰা হয়। ইয়াক সাত বিহু বুলি জনা যায়।
এই সাত বিহু হ'ল —

১. গৰু বিহু।
২. মানুহ "
৩. হাত "
৪. চেনেহী "
৫. মাইকী "
৬. তাঁত " আৰু
৭. চেৰা " ।

আমাৰ গাঁৱৰ বিহু নাম এটি - তলত প্ৰয়াস কৰিলোঁ ।

"ল'হু ল'হুৰি প্ৰাণৰ ৰাই
ফুলত ভৰ দি নাও মেলি যায়
চহকা লিলিৰ সোৰে ওঁঠু কাঢ়ি
ফুলত ভৰ দি নাও মেলি যায় ।
কি আম বুলালি দাঁতে সৰিলৰে
ফুলৰ ভৰ দি নাও মেলি যায় ।
কাদিমাৰ আজতে খোলেং হাতে
বোৱা
ফুলৰ ভৰ দি নাও মেলি যায়...
ধনৰ নাও এসানি সোণৰ
বঠাটালি
ফুলত ভৰ দি নাও মেলি যায় ।
উঠিলে ভটিয়াই যায় সৰিলৰে
ফুলত ভৰ দি নাও মেলি যায় ।"

আন এটি বিহু গীত হৈছে -

"টোল বাই কা'ত ? কতনপুৰত ।
ঢোল বাই কা'ত ? কতনপুৰত ।

ধুনুৱাই কলকলাই বান্দৰী নচুৱাই
বাঁহবাৰী বাঁহবাৰী চুটীয়াৰ ঘৰত।"

অন্যহাতে আন এটি বিহু গীত হ'ল—

"লাহে লাহে এই
বিহু কোনে আনলে আহে।
সুৰে নিশিচয়ে চৈতৰে দীঘলে
বিহু কোনে আনলে আহে।
মন দেশত মনভৰা ধমুৰি
আনিলে নাচিমাত নাৰি,
মৌতৰা তুলিলে বিহুৰে যতৰা
আহিলে লোকমুখি বাৰি।"

—এই বোৰ গানেৰে ৰঙালী বিহুৰ ৰং ঢংসমূহ পালন কৰে।

এই বোৰ গান অসমীয়া জাতীৰ অভিমানৰ গান। এই বোৰ গানৰ এটা সুকীয়া মান আছে।

—·—

~~8.01~~

## 8.01

## হুঁচৰিৰ বিহুগীত

বহাগ বিহু সময়ত গোৱা বিহু গীতৰ আন এটা ভাগ হৈছে হুঁচৰি বিহুগীত। অসমীয়া সমাজৰ সমন্বয়ৰ সাঁকো হুঁচৰিয়ে বহাগৰ সাত বিহু আলোকবন্ত কৰে। অতীত কালৰ হুঁচৰি ৰাজ আলিয়েদি ঘূৰি ফুৰাৰ নিৰ্দেশন পোৱা যায়। ঘৰৰ গৃহস্থই সন্মিয়ালে গুনাই খবাইত বিহুৱান আৰু ধনমানি দি আশিৰ্বাদ লৈছিল। আহোম স্বৰ্গদেউ সকলৰ, তা ডাঙৰীয়া সকলৰ ইচ্ছানুযায়ী চোতালে চোতালে হুঁচৰি গোৱাৰ প্ৰথা প্ৰৱৰ্তন কৰাৰ লগতে আমি চোতাল পোৱাৰ কথা অনুমান কৰিব পাৰোঁ।

আমাৰ গাঁও ৰ হুঁচৰিৰ বিহুগীত কেইটি মান তলত উল্লেখ কৰা হ'ল —

"অ হৰি অ' ৰাম, হৰি সভোমৰ আগে
হৰি বোল'।

গৃহস্থৰ চোতালৰ সূকত খিম দিয়েই

সকলোৱে হৰি ধ্বনি দিয়ে—
পূবে উঁৱাল—হৈছে
পশ্চিমে গোৱাল—হৈছে
উত্তৰে—চৰ হৈছে
দক্ষিণে—গৰু—হৈছে
মাজে—লোক—হৈছে
দুস্তৰীত মাছ হৈছে
বাৰীত তামোল—হৈছে
বাৰীত তামোল—পাণ—হৈছে। গৃহস্থৰ কুশলত আছে
দেৱতাৰ সন্মুখত গোন্ধাইছে মধুৰী।
কেতেৰী মলেমলাই আৰু গোবিন্দাই ৰাম।
মণি কোঁৱৰৰ গীতৰ নাম পদ—
শংকৰদেৱে বজাবে দুতেক মণিকোঁৱৰ
খেলাত আত—মনে নাই,
এবেলা দোলাতে এবেলা ঘোঁৰাতে
এবেলা কেলি খেলায় ...
নিলাজী এটা ত আছিলি মই
মাগো নিলাজী মাক গে কতো
লুকাই লৈ আনৰ কলৈ
বিহু হৈ আহোঁ গে কাকৰ তলত।

ঘোষা:

গোবিন্দ কৃষ্ণই রাম নাৰায়ণ
হৰি হে ভজ

পদ:

প্ৰথমে প্ৰণামো ব্ৰহ্মঋষি সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥

আন এটি হুঁচৰি গীত হ'ল —
নাহৰৰ গীতৰ লগ পদ:
আইয়ো আই নাহৰে মাতিলে
বুঢ়ীমাকো এ মুখলৈ চাই।
বুঢ়ীমাকে বুলিলে নাহৰ চেনামুখরা
চকুতো মইতো নাই ॥

যোজনি:

স্বৰ্গদেউ ওলালে বৰচ'ৰাৰ মুখলৈ
দুলিয়াই নাচিলে দোলা,
কাণত জিলিকিলে মকৰ কুণ্ডলে
গাত গোমচেঙৰ চোলা ॥
দীঘলীয়া গোলৰ জেৰে জেৰে বতৰৰ
গীত:

চাগে চেলাবৰে ধৰুৱা কপৌৰী
মাহে চেলাবৰে ধৰুৱা কপৌৰী
গাঁৱৰ বুঢ়ামেথা দাম-দোম প্ৰক্ৰিয়া
আই মাই বতৰৰ গীত।
এইবোৰ হৈছে অসমৰ
উজা অঞ্চলৰ ইচৰি বিহুগীত।

---

৪.০২

গৰুসীমাই গৰু চৰাঁওতে গোৱা বিহুগীত:

অসমীয়া লোক লোকাচাৰ বা লোকসাহিত্যত অন্য আন প্ৰতি প্ৰথা হৈছে- গৰুসীমাই গৰু চৰাওতে গোৱা বিহুগীত। গৰুসীমা মানে হ'ল অতীততে বা আগৰ দিনত গাঁওৰ সৰু সৰু লৰা বোৰে (১২ বছৰীয়া) সমাৰত গাঁওৰ গৰু বোৰ চৰাবলৈ যায়। অৰ্থাৎ গৰুবোৰ চাবলৈ যায়। আৰু দিনটো তাতে গৰু চাই বহি থাকে। আৰু

লেগত খোৱা বন্ধু হৈ যায়; লেগৰ বোৰৰ লগত ভগাই যায়। আৰু সেই লৰা বোৰে কিছুমান বিহুগীত গাই ছিল; সেই গীত বোৰকে গৰখীয়াই গীত বুলি কোৱা হয়।

তলত কেইটিমান গৰখীয়া গীত উল্লেখ কৰা হ'ল —

তাল - তেম্লেণ।

আজি মাতিম তোমাক
ৰজা- গৰখীয়া।
বনফুলৰ মালা পিন্ধি হ'বা
তুমি ধুনীয়া।
- বৰ'দল বৰভেঁটি
দিম তাতে কুশ

মাতি',
বিতোপন সিংহাসনে
বহিবাঁ সৌভগা,
বহিম সকলো প্ৰজা হৈ আমি
গৰখীয়া।

আনটি গৰখীয়া গৰু গীত

হ'ল —

পুৱাৰে উশাত লয়,
লগত সুগন্ধ বয়,
নেঁলা বাজে, অলসো নহয়;
চৰায়ে বক্ষেৰে গায়;
কৰে যেন ভোমোৰাই
ফুলনতো তাৰে অভিনয়।

গৰখীয়া গৰু লৈ আঁহোতে উলাট
গায় আহে বহুত মনে বসন্তৰ গীত,
বুৰাই বুলিয়ে ক্ষুদ্ৰ গৰুৰ যোৰ্জৰ;
হেৰায় খাতৰ গৰু অসীহি নদুলিত.
তেও তাৰ কানসাৰ অল অলনো
নেপাকে —
মন যে কা'ৰ্ষাত থাকে।
যেতিয়া ঘাঁটা খুঁটিৰৰ মাতকো শুনিবা।
চন বিৰা বিৰা ভূৰিবিকা গাছকি
কচুৰিখা,

কনৌ স্কুলত আছি
ভাটৰ ঘাটত বহি
বতাহে বকোৱে দুলা আম,
বিহুৱে জীৱন নতুনাম।
— এইবোৰ গীত এ হ'ল
অসমীয়া মান অভিজ্ঞান।

—·—

৪.০৩

বেকাই গাভৰুক উদ্দেশ্য কৰি গোৱা বিহু গীত ঃ

অসমীয়া বিহু ৰ ভিতৰত কথাগ কিছুত বেকাই গাভৰুক জোৰাই। অৰ্থাৎ বেকাই ক গাভৰুক উদ্দেশ্য কৰি গীত গায়। এই প্ৰথা অতীতৰ পৰা চলি আহিছে। কথাগ মাৰত গাঁওৱে গাঁওৱে বেকা গাভৰুৱে বিহু উৎসৱ পাতে। আৰু সেই বিহু ত কিছু উৎসৱ ত বেকাই গাভৰুক উদ্দেশ্য

কৰি গীত গাইছে।

তাৰে কেইটিমান গীত তলত
উল্লেখ কৰা হ'ল -

টুলে ভোলে কৰি ৰাবি মোৰ
চেনাইটি মোৰ (২)
টুলে ভোলে কৰি কৰি মোৰ
টুলীমা মোৰ (২)
টুলে ভোলে কৰি ৰাবি
আমি অসমীয়া ও বিশ্বৰে বলিয়া ও
বিশ্বৰে বলিয়া ও (২)
টুলে ভোলে কৰি ৰাবি
আগে মূৰত চাৰিয়া ও
মূৰতে গামোচা ও (2)
ককালতে তপোলি বান্ধো
আমি অসমীয়াও বিশ্বৰে বলিয়া ও
বিশ্বৰে বলিয়া ও ।
টুলে ভোলে কৰি কৰি (2)"

ও জান ঐ ও
ঐ ঘামকৈ নাৰিলে ও হুমাৰে ঢাকিলে
ও ধূলিক কৈ মাৰিলে ঐ বুকু
ঐ এনেকুৱা বতৰত ঐ নিৰিবিলি বতৰা ঐ
ঐ নকম নো কেনেকৈ পাহৰো।

জোনালীঃ অ সৌ জন কোন কাৰ
বুনীয়াকৈ চেকাটি
অ আছে মোন মোৰ মনে
চাই
অ তোমাৰ প্ৰেমিকাই (২)
মোকে গোৱা দেখিলে
এ কপালত শুৱ দিব গৈ

.............

লাখাঃ অ এমালে নাচি গকা ঢেকা
জনে কাৰে বাৰে সেই জনী জোনালীকে চাই
ও কিবা যদি কাৰ লগা এ আছে
তোমাৰ কঁকালটি
ও কৈ দিয়া তেম এ নাই
নাই নাই নাই নিলাজী......

ওপৰত উল্লেখিত গাহেৰৰ উদ্দেশ্য কৰি গোৱা বিহুগীত প্ৰথম গাবলৈ চেষ্টা কৰিছিলো।

---

৫.০০

## নৱম অধ্যায়

**গাঁৱৰ নিচুকনি গীতঃ**

অসমীয়া লোকাচাৰৰ অন্য এটি প্ৰথা হৈছে নিচুকনি গীত। অসমীয়া লোকসাহিত্য ভঁৰালৰ মণিকী মুকুৰী জুহাৰ দৰে আমোলমোলাই থকা সুবাসিত সাহিত্যৰ এটি শাখা নিচুকনি গীত। শিশুৰ সঙ্গীতৰ প্ৰতি থকা টান আৰু সুৰে সৃষ্টি কৰা মায়ামমতাই শিশুৰ মনত সম্মোহনী শক্তিৰ দৰে কাম কৰে। নিচুকনি গীতৰ মাজেৰে প্ৰকাশকী মাতৃৰ সপোন, উজ্জ্বল আশা, বিশ্বাস-অবিশ্বাসৰ অভিব্যক্তিৰ ইংগিত

খোৱা যায়।

আমাৰ গাঁওৰ বেষ্টিমেন
নিচুকণি গীত তলত উল্লেখ কৰা হয়।

নাঁও হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া চৈ এ।
চৈৰে তলতে জোনবাই গইছে
হাততে ~~বিচ~~ বিচনী লৈ এ

প্ৰতিমা হ
আলেঙে সুমিজলোঁ ফুলৰে বিচনী
প্ৰতিমা ফুলাইছা কৈ এ
বেলেই লাগিছে ফুলৰে বিচনী
গাল মুখে জুৰে বে এ

আনটি নিচুকণি গীত হ'ল —

আমাৰে মইনা শুব এ',
বাৰীতে বগৰী ৰব এ',
বাৰীৰে বগৰী লকি সৰিব,
আমাৰে মইনাই বুটলি খাব।
শিয়ালী এ' নাহিবি ৰাতি, তোৰে কাণ
কাটি লগামে কাটি।।

শিয়ালীৰ সৃষ্টিতে সহায় হ'ল ;
শিয়ালী পালেগৈ ৰতনপুৰ ॥

তেনে এটি নিচুকণি হ'ল —

সোন বায়ে এ বেজি এটি পালা
বেজি লো কেলেই মোনা-সী-বলৈ
মোনালো কেলেই ধন ভৰাবলৈ
ধনলো কেলেই হাতী কিনিবলৈ
হাতী কেলেই উঠি ফুৰিবলৈ
হাতীত উঠি পানীখাস ঘাটলৈ যাম।
অলিকৰে সমুখে ধূৰি ধূৰি যাই।

এইবোৰ অসমৰ নিচুকণি গীত।

— · —

৮.০০

## ষষ্ঠ অধ্যায়

**গাঁৱৰ সংহুসেদা গীত:**

অসমীয়া লোকগীতৰ তেনে এটি প্ৰধান হৈছে - মহহসেদা গীত।

বহুভাষিক, বহুজাতিক ৰাজ্যৰ দৰে অসমৰ বহু উৎসৱৰে ৰাজ্য। অসমৰ আমাৰ আলোচিত তেনে এক কৃষি সম্পৃক্ত লোক-উৎসৱ হ'ল মহ খেদা উৎসৱ (মহোহো)। আঘোণ মাহৰ পূৰ্ণিমা তিথিত স্নিগ্ধ জোনাকৰ পোহৰত সন্ধিয়াৰপৰা সমূহ ডেকা ল'ৰাবোৰে দল বান্ধি গাঁই বিশেষে হাতে হাতে টোকোন বা টোকোন লৈ মানুহৰ ঘৰে ঘৰে এক প্ৰকাৰৰ প্ৰতীক ধৰ্মী আশীৰ্বাদ সূচক আৰু বৈশিষ্ট্যপূৰ্ণ প্ৰকৃতিৰ গীত পৰিবেশন কৰে। অনুষ্ঠানটো নাৰিকে-শিশু গীতবোৰৰ কোনো লিখিত ৰূপ নাই। নামাৰ মদিৰু মানুহৰ মুখে মুখে মৌলিক ভাৱেই হৈ চলি আহিছে।

আমাৰ গাঁৱৰ মহ খেদা গীত যোঁ তলত লিখিৰ প্ৰয়াস কৰিলো।

অ' হৰি মহো হো।
মহ খেদা টোকোন লো॥

সহে বলে সইছুদে ॥
টৈনৰ সুখা সমলুদে ॥
টৈনৰও নহল লুন ।
চাউল লাগে দোন দোন ॥
চাউল কে বোঁদ দিলাক কৰি ।
এনেমোৰ ঘৰ লৰি চাৰ ॥
লৰিচৰি ঘাং তে ॥
সনাৰ নাঙোল বাং তে ॥
সনাৰ নাঙোল ৰূপাৰ মাল ।
এনেমোৰ ঘৰ দেখেসবা ভাল ॥
হাল দিলু সীমালে ।
মৈ দিলু মাটে ॥
সহোৰ মাকোক মাৰ কইলু ।
বুঢ়া দিমাৰ ঘাটে ॥

এনে অনেক লোকগীতে আমাৰ লোকসাহিত্যৰ ভঁৰাল চহকী কৰিছে।

— ॰ —

৭.০০

## সপ্তম অধ্যায়

**উপসংহাৰ :-** আমাৰ গাঁওখনৰ অৰ্থাৎ নলবাৰী জিলাৰ বগুৰীহাটী গাঁও খনৰ গাঁওবোৰ মাজত যথেষ্ট সৌহাৰ্দ্য আছে। বহু সংখ্যক শিক্ষিত লোকৰ বাবে, আমাৰ গাঁওখন সকলো ক্ষেত্ৰতে এখন আদৰ্শ গাঁও হৈ পৰিছে। গাঁও খনত পূজা-পাৰ্বণে (অৰ্থাৎ আমাৰ বাসন্তী পূজা সবে যথেষ্ট উৎসাহ দিয়ে।) গাঁওখনৰ লোকসাহিত্যৰ ক্ষেত্ৰত অতি আগবঢ়া। আমাৰ গাঁও খনত বিভিন্ন জাতি ধৰ্মৰ মানুহে বাস কৰে। এই বগুৰিহাটী গাঁওখনে আমাৰ অতি মৰমৰ।

—:—

## সহায়ক গ্রন্থপঞ্জী

১/ ভাগরথী দীনমণি, "বস্তুবিহারী সাঁওতাল ইতিহাস", ২০১৬ ।

২/ শর্মা ভুমতি, সাঁওতাল বাসন্তী সুজাত চম্নু ইতিহাস ২০১৩,

৩/ শালে দ্বীপ, "লোকসাহিত্য পরিচয়" ২০০৭ ।

ঃ সংবাদদাতা ঃ


(১) নামঃ ড০ দীনমণি ভোগবতী
গাঁওঃ বগুৰিয়াটী
বয়সঃ ৬০

(২) নামঃ ড০ নবেশ্ব শৰ্মা
গাঁওঃ বগুৰিয়াটী
বয়সঃ ৫০

(৩) নামঃ শ্ৰী মুত কিৰ শৰ্মা
গাঁওঃ বগুৰিয়াটী
বয়সঃ ৭০


(৪) নামঃ বিকাশ ৰঞ্জন শৰ্মা
গাঁওঃ কালাকুচি
বয়সঃ ৬৮

# নিৰ্বাচিত আলোকচিত্ৰঃ



চিত্ৰ নং-১ গাঁওৰ বাসন্তী পূজা প্ৰতি দৃশ্য ।
বস্তুবিছাটী





চিত্ৰনং :- 2 অৰ্বাঙ্গুও গাঁওৰ বাসন্তী মন্দিৰ ।
বস্তুবিছাটী



চিত্ৰ নং:৩ বিয়া



চিত্ৰ নং: ৪ কইনা গা-ধুৱা ধুওৱা



চিত্ৰ নং: ৬ জোৰণ আগা দিয়া




চিত্ৰ নং-৫ পানী তোলা




চিত্ৰ নং-৭ জোৰণ দিয়া



চিত্ৰ নং-৮ পানী তোলা



চিত্ৰনং-৯ গৰু বিহু



চিত্ৰনং-১০ মহখেদা দল



চিত্ৰনং:১১ বিহু দল



চিত্ৰনং:১২ গৰু গা-ধুৱা



চিত্ৰ নং-১৩ হুঁচৰি দল



চিত্ৰ নং: ১৪ মহাহোৰ দল



চিত্ৰনং: ১৫ হুঁচৰি দল



চিত্ৰনং: ১৬ বিহু গীত বং দল

নলবাৰী জিলাৰ মানচিত্ৰঃ



86 PA